বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## কৃতজ্ঞতা সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ) ৰ বাস্তৱিক আদৰ্শ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২৮ আগষ্ট ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

হজৰত মহম্মদ মুস্তফা ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পতাকাক পৃথিৱীত উৰুৱাবলৈ হজৰত মছীহ মাওউদ আলাইহিছ ছালামে যি প্ৰচেষ্টা কৰিছিল সেয়া স্পষ্ট। তেখেত নিজৰ সহায়কসকলৰ প্ৰতিও বৰ কৃতজ্ঞ আছিল যিসকলে তেখেতৰ এই অভিযান পূৰণ কৰিবলৈ যিকোনো উপায়েৰে সেৱা আগবঢ়াইছিল।

সেয়েহে, হজৰত আকদছ আলাইহিছ ছালামে ১৮৯৯ চনৰ ৪ অক্টোবৰৰ ইস্তাহাৰত কৈছিল "এয়া আল্লাহ তা'লাৰ ছুন্নত (নিয়ম) যে প্ৰতিটো আহলে আল্লাহৰ (আল্লাহৰ লোকৰ) দলক নিজৰ প্ৰাৰম্ভিক অৱস্থাত চান্দা (বৰঙণি)ৰ প্ৰয়োজন হয়। আমাৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামেও কেইবাবাৰো ছাহাবীসকলৰ পৰা চান্দা বিচাৰিছিল য'ত হজৰত আবু বকৰ ৰাজিয়াল্লাহু আনহুৱে সকলোতকৈ বেছি অৱদান আগবঢ়াইছিল। সেয়েহে, পুৰুষোচিত সাহসেৰে সহায়ৰ বাবে কোনো বিলম্ব নকৰাকৈ পদক্ষেপ গ্ৰহণ কৰিব লাগে। প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ সামৰ্থ্য অনুসৰি এই লঙ্গৰখানাৰ বাবে সহায় কৰক। মই বিচাৰোঁ যে যদি সম্ভৱ হয় তেন্তে এনে এক ব্যৱস্থা হওক যাতে আমি লঙ্গৰখানাৰ মূৰৰ কামোৰণিৰ (চিন্তাৰ) পৰা মুক্ত হৈ আমাৰ কামত একাগ্ৰতাৰে লাগি থাকিব পাৰোঁ আৰু আমাৰ সময়ৰো যাতে কোনো ক্ষতি নহয়। যিসকলে আমাক সহায় কৰে, অৱশেষত তেওঁলোকে আল্লাহৰ সহায় দেখিবলৈ পাব।"

"মই এই কথা নিলিখাকৈ থাকিব নোৱাৰো যে এই সাহায্য আৰু প্ৰাণপাত প্ৰচেষ্টাত প্ৰথম স্থানত আছে আমাৰ একান্ত নিষ্ঠাৱান, 'হুব্বি ফিল্লাহ' (আল্লাহৰ পথত প্ৰিয়) মৌলৱী হাকিম নুৰুদ্দিন চাহাব ৰাজিয়াল্লাহু আনহু, যিজনে কেৱল আৰ্থিক সহায়েই কৰা নাছিল, বৰঞ্চ পৃথিৱীৰ সকলো সম্পৰ্ক ছিন্ন কৰি, ফকিৰৰ পোছাক পৰিধান কৰি নিজৰ জন্মভূমিৰ পৰা প্ৰব্ৰজন কৰি মৃত্যুৰ দিনলৈকে কাদিয়ানত আহি বসবাস কৰিলে আৰু সৰ্বদায় উপস্থিত থাকে। মই যদি বিচাৰো তেন্তে তেওঁক পূবলৈ বা পশ্চিমলৈ পঠিয়াব পাৰোঁ। মোৰ দৃষ্টিত এওঁলোক সেইসকল লোক যাৰ সম্পৰ্কে 'বৰাহীনে আহমদীয়া'ত এই ইলহাম (প্ৰত্যাদেশ) হৈছে: اَصْحَابُ الصُّفَّةِ وَمَا أَدْرَاكَ مَا أَصْحَابُ الصُّفَّةِ আৰু হজৰত মামদূহ (প্ৰশংসিত ব্যক্তি)ৰ পিছত দ্বিতীয় স্থানত আছে 'হুব্বি ফিল্লাহ' মৌলৱী আব্দুল কৰিম চাহেব

ছিয়ালকোটি। তেওঁক আল্লাহ তা'লাই আগতেই পাৰ্থিৱ পদৱী আৰু পদমৰ্যাদাৰ প্ৰতি কোনো আগ্ৰহ দিয়া নাছিল, কিন্তু এতিয়া তেওঁ পাৰ্থিৱ চিন্তাধাৰাকো সম্পূৰ্ণৰূপে ইস্তফা দি (ত্যাগ কৰি) এই দুৱাৰত বহি আছে।
আৰু দিনে-ৰাতিয়ে নিজৰ মগজুৰে শক্তিৰ উৰ্দ্ধত কাম কৰি ধৰ্মৰ সেৱা কৰি আছে আৰু শুকুৰবাৰৰ নামাজত পৱিত্ৰ কোৰআনৰ বহুতো সত্য আৰু তত্ত্ব বৰ্ণনা কৰি মুছলমানসকলক উপকৃত কৰিছে আৰু মৌলৱী হাকিম নুৰুদ্দিন চাহাবৰ চহৰৰ হাকিম ফজল দ্বীন, তেৰোঁ প্ৰায় একে ঠাইতে বাস কৰে আৰু ধৰ্মীয় সেৱাত ব্যস্ত হৈ আছে।
ইয়াৰ পিছত তেখেতে (আঃ) ডাক্তৰ বুড়ে খান চাহাব, খলিফা ৰছিদ উদ্দিন চাহাব লাহোৰী আৰু ডাক্তৰ মিৰ্জা য়াকুব বেগ চাহাব কালানৌৰী, ডাক্তৰ মহম্মদ ইছমাইল চাহাব, ডাক্তৰ আব্দুল হাকিম খান চাহাব, মিৰ্জা খুদা বক্স চাহাব, চাহাবজাদা চিৰাজুল হক চাহাব আৰু শেঠ আব্দুৰ ৰহমান চাহাবৰ কথাও উল্লেখ কৰে। তেখেতে কয় যে শেঠ চাহাবে নিয়মীয়াকৈ প্ৰতিমাহে এশ টকা পঠিয়ায় আৰু কেতিয়াবা পাঁচশ টকালৈকে পঠিয়াইছে। একেদৰে, তেখেতে 'ছুৰ্ব্বি ফিল্লাহ' (আল্লাহৰ বাবে বিলীন) লাহোৰৰ ব্যৱসায়ী শ্বেখ ৰহমতুল্লাহ চাহাবৰ কথা উল্লেখ কৰে, যিজনে মোকৰ্দমাৰ বাবে যথেষ্ট ধন উপহাৰ দিছিল। তাৰ পিছত তেখেতে নৱাব মহম্মদ আলী খান চাহাবৰ কথাও উল্লেখ কৰে।
হজৰত আকদাস (আঃ) য়ে সামান্য সেৱা আগবঢ়োৱাসকলৰ প্ৰতিও বৰ কৃতজ্ঞ আছিল। খাজা কামালুদ্দিন চাহাবৰ চুবুৰীত এজন ব্যক্তিয়ে ফালুদা বিক্ৰী কৰিছিল। এবাৰ তেওঁ হুজুৰ (আঃ) ক ফালুদা আগবঢ়োৱাৰ ইচ্ছা প্ৰকাশ কৰে। সেয়েহে যেতিয়া হুজুৰ (আঃ) তেওঁৰ ঘৰলৈ গৈছিল, তেতিয়া তেখেতৰ সন্মতি সাপেক্ষে ফালুদা বিক্ৰেতাজনক মতা হৈছিল। তেওঁ ফালুদা বনাই হুজুৰক (আঃ) আগবঢ়ালে। তেখেতে (আঃ) য়ে ক'লে যে ই বৰ সোৱাদযুক্ত হৈছে। তাৰ পিছত তেওঁ বন্ধুসকলৰ বাবে দহ-বিশ বাটি ফালুদা পঠিয়ালে। হুজুৰ (আঃ) য়ে তেওঁলৈ দুটকা পঠিয়ালে, কিন্তু তেওঁ ল'বলৈ অস্বীকাৰ কৰিলে আৰু ক'লে যে মোৰ টকাৰ কোনো প্ৰয়োজন নাই, মোক হুজুৰ (আঃ) ৰ ওচৰলৈ লৈ যাওক। সেই অনুসৰি তেওঁ হুজুৰৰ ওচৰলৈ গ'ল। তেখেতে (আঃ) য়ে তেওঁৰ বাবে দোৱা কৰিলে আৰু "জাজাকুমুল্লাহ" (আল্লাহে আপোনাক উত্তম পুৰস্কাৰ দিয়ক) বুলিলে।
হজৰত ইব্ৰাহিম বকাপুৰী চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰে যে এবাৰ ছিয়ালকোট জামাতৰ কেইজনমান বন্ধুৱে উপহাৰ হিচাপে কিছু টকা আগবঢ়াইছিল। হুজুৰ (আঃ) য়ে প্ৰথমে "আলহামদুলিল্লাহ" (সকলো প্ৰশংসা আল্লাহৰ) ক'লে আৰু তাৰ পিছত "জাজাকুমুল্লাহ" ক'লে। ইয়াৰ ফলত আমাৰ ঈমানত এক প্ৰকাৰৰ উন্নতি হৈছিল যে হুজুৰ (আঃ) য়ে প্ৰথমে আল্লাহক ধন্যবাদ দিছিল আৰু তাৰ পিছত আমাৰ বাবে দোৱা কৰিছিল।
জুলফিকাৰ আলী খান গোহৰ চাহাবে এটা ঘটনা বৰ্ণনা কৰিছে যে এবাৰ হুজুৰ (আঃ) বায়তুত-দোৱাৰ তলৰ কোঠাটোৰ পৰা ওলাই আহিছিল। মই তাৰ ঠিক সন্মুখতে আছিলোঁ। হুজুৰ (আঃ) য়ে চুলিত মেহেন্দি লগাইছিল। মোক ক'লে যে মৌলৱী ছৈয়দ ছৰোৱাৰ শ্বাহ চাহাবক আমাৰ বাবে ইয়ালৈ কিছু আহাৰ আনিবলৈ কোৱা। মই যেতিয়া বাৰ্তাটি দিলোঁগৈ, তেতিয়া দেখিলোঁ যে খাদ্য একেবাৰে শেষ হৈ গৈছে। হুজুৰ (আঃ)ৰ বাবে কোনো খাদ্য নাথাকিলে বুলি মৌলৱী চাহাবৰ মুখখন শেঁতা পৰি গ'ল। যি কি নহওক, তেওঁ এটা সৰু বাটিত কিছু গাখীৰ, তিনিখন টোষ্ট (ৰাস্ক) আৰু চেনি লৈ হুজুৰ (আঃ) ৰ সন্মুখত উপস্থিত হ'ল। তেওঁ জনালে যে তাতকৈ আৰু একো নাই।
হুজুৰ (আঃ) য়ে অত্যন্ত কৃতজ্ঞতাৰে সেই খাদ্য গ্ৰহণ কৰিলে, যিটো তেখেতৰ মুখমণ্ডলত স্পষ্টভাৱে প্ৰকাশ পাইছিল। দুখন টোষ্ট উলিয়াই চেনিত ডুবাই খালে আৰু পানী খালে। ১৯০০ চনৰ আগষ্ট মাহত তেখেতে (আঃ) য়ে এখন চিঠিত হজৰত নৱাব মহম্মদ আলী চাহাব (ৰাঃ) ক ধন্যবাদ জনাইছিল যে আপুনি উপহাৰ হিচাপে এটা অতি সুন্দৰ কাপোৰৰ টুকুৰা পঠিয়াইছে। সেই পোছাকযোৰৰ বিনিময়ত তেখেত (আঃ) য়ে তেওঁৰ বাবে দোৱা কৰিছিল যে

আল্লাহে ইয়াৰ বিনিময়ত তেওঁক নিজৰ অসীম আৰু অজ্ঞাত কৃপা আৰু অনুগ্ৰহ প্ৰদান কৰক আৰু ধৰ্মপৰায়ণতাৰ বস্ত্ৰৰে পূৰ্ণভাৱে আউলিয়া (আল্লাহৰ প্ৰিয় বন্ধুসকল) আৰু সৎলোকসকলৰ ৰঙেৰে বিভূষিত কৰক।

এখন চিঠিত হজৰত ডক্টৰ খলিফা ৰশীদুদ্দিন চাহাব (ৰাঃ)-ক কৈছিল: "আপোনাৰ তৰফৰ পৰা ৫০ টকা এটা কঠিন সময়ত পালেহি। এনে সংকটজনক আৰু প্ৰয়োজনীয় সময়ত, যেতিয়া এজন দুৰ্বৃত্তই আদালতত মোৰ বিৰুদ্ধে গোচৰ তৰিছে, আপোনাৰ ধাৰাবাহিক আৰ্থিক সহায় অত্যন্ত কৃতজ্ঞতাৰ যোগ্য।"

এজন ছাহাবীয়ে কয় যে মই আহমদীয়া ধৰ্ম গ্ৰহণ কৰিছিলোঁ আৰু মোৰ পৰিয়ালৰ পৰা এই কথা লুকুৱাই ৰাখিছিলোঁ। কিছু সময়ৰ পিছত এই ৰহস্য প্ৰকাশ পালে। দেউতাই মোক স্পষ্টভাৱে উত্তৰ দি ঘৰৰ পৰা উলিয়াই দিলে যে তুমি আহমদী হৈ পৰিছা। মই এখন দোকান খুলিলোঁ। মই দৰ্জীৰ কাম কৰিছিলোঁ। হজৰত মছীহ মাওউদ (আলাইহিচ্ছ ছালাম)-ৰ বাবে এটা পোছাক প্ৰস্তুত কৰিবলৈ মোৰ মনত গভীৰ ইচ্ছা হৈছিল। গতিকে মই এটা কুৰ্তা, এটা চেলৱাৰ আৰু এটা কোট প্ৰস্তুত কৰিলোঁ। কাৰোবাৰ পৰা কাদিয়ানলৈ যোৱাৰ ভাড়া যোগাৰ কৰি মই গৈ পালোঁগৈ। সেইটো শুকুৰবাৰ আছিল। মোৰ ইচ্ছা আছিল যে আজিৰ দিনটোতেই হুজুৰ (আঃ)ৰ খিদমতত এই উপহাৰ উপচি দিম যাতে তেওঁ জুম্মাৰ নামাজত ইয়াক পৰিধান কৰে। বজাৰৰ দোকানখনত মই কাজী জিয়াউদ্দিন চাহেবক লগ পালোঁ। তেওঁক কথাটো কোৱাত তেওঁ মোক হুজুৰ (আঃ)ৰ ওচৰলৈ লৈ গ'ল। তেখেত (আঃ) এখন তক্তাত বহি কিবা লিখি আছিল। ওচৰতে খৱাজা কামালুদ্দিন চাহেব ঢাৰিত বহি আছিল। আমিও বহিলোঁ। খৱাজা চাহেবে আমাক সুধিলে যে মই আপোনাৰ উদ্দেশ্য প্ৰকাশ কৰোঁনে? তাৰ পিছত খৱাজা চাহেবে সেই কাপোৰখিনি হুজুৰ (আঃ)ক উপহাৰ দিলে আৰু ক'লে যে ল'ৰাজনৰ ইচ্ছা যাতে হুজুৰে এই কাপোৰযোৰ পিন্ধি জুম্মাৰ নামাজ আদায় কৰে। হজৰত চাহেব (আঃ)য়ে লগে লগে (ভিতৰলৈ গৈ) সেই পোছাকযোৰ পৰিধান কৰিলে। কোটটো অলপ চেপা (টাইট) আছিল। মই ইয়াক বজাৰলৈ আনি অলপ মেৰামত কৰি ঢিলা কৰিলোঁ। যেতিয়া ওভতাই আনিলোঁ, হুজুৰে (আঃ) য়ে পুনৰ পিন্ধিলে কিন্তু তেতিয়াও তেওঁৰ বাবে চেপা আছিল। বুটামবোৰ বন্ধ হোৱা নাছিল। তথাপিও মোৰ আনন্দ আৰু সন্তুষ্টিৰ বাবে কষ্টেৰে টানি-টুনি বুটামবোৰ বন্ধ কৰি ল'লে।

আহমদী সম্প্ৰদায়লৈ লিখা এখন চিঠিত তেখেত (আঃ) য়ে কৈছে "আচ্ছালামু আলাইকুম ৱা ৰাহমাতুল্লাহি ৱা বৰাকাতুহু। সকলোতকৈ প্ৰথমে মোৰ হৃদয়ত আল্লাহ তা'লাৰ প্ৰতি কৃতজ্ঞতা উথলি উঠিছে, যিজনে মোৰ জামাতক (সম্প্ৰদায়ক) সত্য শ্ৰদ্ধা, প্ৰেম আৰু সহানুভূতি প্ৰদান কৰিছে। যদি আল্লাহ তা'লাৰ অনুগ্ৰহ তেওঁলোকৰ সৈতে নাথাকিলহেঁতেন, তেন্তে তেওঁলোকক এই তাওফীক (সামৰ্থ্য) কেতিয়াও দিয়া নহ'লহেঁতেন যে তেওঁলোকে ছাহাবাসকলৰ পদচিহ্ন অনুসৰণ কৰি এই পৰ্যায়ৰ আনুগত্য কৰিব যে নিজৰ আৰ্থিক অসুবিধা আৰু কম উপাৰ্জন সত্ত্বেও তেওঁলোকে নিজৰ ক্ষমতাৰোধকৈ আৰ্থিক খিদমতত আত্মনিয়োগ কৰে। মই প্ৰাৰ্থনা কৰোঁ যে আল্লাহ তা'লাই তেওঁলোক সকলোৰে ধন-সম্পদত বৰকত দান কৰক আৰু এই যি সাহায্য আৰু সহায় তেওঁলোকে ধৰ্মীয় উদ্দেশ্য পূৰণৰ বাবে কৰিছে, তাক আল্লাহে উভয় জাহানত তেওঁলোকৰ কল্যাণৰ কাৰণ কৰি দিয়ক। আমীন ছুম্মা আমীন।" পুনৰ আন এক স্থানত কয়, "আল্লাহ তা'লাই যাৰ ওপৰত ফজল (অনুগ্ৰহ) কৰিছে, তাৰ শ্ৰদ্ধাঞ্জলি/কৃতজ্ঞতা এটাই যে তেওঁৰ সৃষ্টিৰ সৈতে সৎ ব্যৱহাৰ আৰু উপকাৰ কৰা আৰু এই ঐশ্বৰিক অনুগ্ৰহত অহংকাৰ নকৰা আৰু বৰ্বৰসকলৰ দৰে দুখীয়া-দৰিদ্ৰসকলক পদদলিত নকৰা।" অৰ্থাৎ মানুহক সহায় কৰাৰ দিশত মনোযোগ আকৰ্ষণ কৰিলে।

আল্লাহ তা'লাই তেখেত (আঃ)ক মানুহৰ ঘটনা/বিষয়সমূহৰ বিষয়েও আগেয়েই অৱগত কৰি দিছিল। কেতিয়াবা আল্লাহৰ হিকমত (পৰিকল্পনা) অনুসৰি সেইবোৰ পূৰণ হ'বলৈ সময় লাগিছিল। এনে সময়ত তেখেত (আঃ) প্ৰাৰ্থনাত নিমগ্ন হৈ পৰিছিল। যেতিয়া সেই কথা পূৰণ হৈছিল, তেতিয়া তেখেত (আঃ) অত্যন্ত কৃতজ্ঞ হৈ আল্লাহ তা'লাৰ দৰবাৰত ছিজদাত অৱনত হৈ পৰিছিল।

এটা ঘটনাৰ উল্লেখ কৰি তেখেতে কয় যে, এবাৰ মই এজন হিন্দু বিশ্বম্ভৰ দাস (ব্ৰাদাৰ শৰম্পট)-ৰ বিষয়ে ভৱিষ্যদ্বাণী কৰিছিলো যে, তেওঁ ফৌজদাৰী মোকৰ্দমাৰ পৰা নিৰ্দোষ হৈ খালাচ নাপায়, কিন্তু তেওঁৰ আধা কাৰাদণ্ড বাকী থাকিব। ভাগ্যক্ৰমে, যেতিয়া ৰায় শুনোৱা হৈছিল, তেতিয়া তেওঁৰ উত্তৰাধিকাৰীসকলে অপ্ৰত্যাশিতভাৱে প্ৰচাৰ কৰি দিলে যে বিশ্বম্ভৰ দাস নিৰ্দোষ হৈ মুক্ত হ'ল। মই ডাঙৰ মছজিদলৈ নামাজ পঢ়িবলৈ গৈছিলো, তেতিয়া এজন ব্যক্তিয়ে মোক খবৰ দিলে যে বিশ্বম্ভৰ দাস নিৰ্দোষ হৈ খালাচ পালে আৰু বজাৰত তেওঁক সকলোৱে অভিনন্দন জনাইছে। মোৰ খুব আঘাত লাগিল যে এতিয়া হিন্দুসকলে এই কথাক লৈ আক্ৰমণ কৰিব যে মিৰ্জা চাহেবৰ ভৱিষ্যদ্বাণী পূৰণ নহ'ল। এই দুখত মোক নামাজৰ একোটা ৰাকাত একোটা বছৰৰ দৰে অনুভৱ হৈছিল আৰু যেতিয়া মই নামাজৰ কোনো ৰাকাতৰ পিছত ছিজদাহলৈ গ'লো, সেই সময়ত মোৰ ব্যাকুলতা চৰম পৰ্যায়ত উপনীত হ'ল। তেতিয়া ঐশ্বৰিক আদেশ (ইলহাম) হ'ল: لَا تَخَفْ اِنَّکَ اَنْتَ الْاَعْلٰی (ভয় নকৰিবা, নিশ্চয় তুমিয়েই শ্ৰেষ্ঠ)। তাৰ পিছত মই অপেক্ষা কৰি থাকিলো যে ভৱিষ্যদ্বাণী কেনেকৈ পূৰণ হয়, কিন্তু কোনো লক্ষণ প্ৰকাশ নাপালে। মই বাৰে বাৰে শৰম্পটক সুধি থাকিলো, কিন্তু তেওঁ এইটোৱেই কৈ থাকিল যে তেওঁ নিৰ্দোষ হৈ খালাচ পাইছে। এইদৰেই প্ৰায় ছমাহ বা তাৰ কিছু কম-বেছি সময় পাৰ হ'ল। দুষ্ট লোকসকলে উপহাস আৰু ঠাট্টা-মস্কৰা কৰিছিল, কিন্তু শৰম্পটে কেতিয়াও ঠাট্টা কৰা নাছিল।

এদিন এনে এক ঘটনা ঘটিল যে পুৰা বাটালাৰ পৰা এজন তহচিলদাৰ কাদিয়ানলৈ আহিল। তেওঁ ঘোঁৰাৰ পৰা নমাই নাছিল হিন্দুসকলে তেওঁক প্ৰণাম জনাবলৈ আহিল। তেওঁ বিশ্বম্ভৰ দাসক দেখি ক'লে যে আমি এই কথাত সন্তুষ্ট হৈছো যে আপুনি কাৰাগাৰৰ পৰা মুক্তি পালে, কিন্তু আপুনি নিৰ্দোষ হৈ খালাচ পোৱা নাই। মই এই কথা শুনিয়েই ধন্যবাদৰ ছিজদা কৰিলো আৰু শৰম্পটক সুধিলো, "তুমি ইমান দিন কিয় মিছা মাতি মোক কষ্ট দি আছিলা?" তেওঁ ক'লে, "মই এক বাধ্যবাধকতাত পৰি মিছা মাতিবলগা হৈছিল। অন্যথা বৈবাহিক সম্বন্ধ স্থাপনৰ সময়ত আমাৰ সম্প্ৰদায়ত এনেবোৰ কথাত বহুত খুঁত ধৰা হয় আৰু দুশ্চৰিত্ৰ প্ৰমাণিত হ'লে সম্পৰ্ক পোৱা কঠিন হৈ পৰে।"

হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে কৈছে "এনে কোনো সম্প্ৰদায় নাই য'ত মোৰ নিদৰ্শন প্ৰকাশ পোৱা নাই আৰু এনে কোনো দল নাই যি মোৰ নিদৰ্শনসমূহৰ সাক্ষী নহয়। যদি এই নিদৰ্শনসমূহৰ সাক্ষী ১০ কোটি বুলিও কোৱা হয়, তেন্তে একো অতিৰঞ্জিত নহ'ব। কিন্তু বিৰোধীসকলৰ অৱস্থা দেখি কান্দোন আহে যে তেওঁলোকে একো লাভ উঠাব নোৱাৰিলে। যদি এই নিদৰ্শনসমূহ, যিবোৰ তেওঁলোকক দেখুওৱা হৈছে, হজৰত ঈছা ইবনে মৰিয়ম (আঃ)-ৰ সময়ত ইহুদীসকলক দেখুওৱা হ'লহেঁতেন, তেন্তে তেওঁলোক

ضُرِبَتۡ عَلَیۡہِمُ الذِّلَّۃُ وَالۡمَسۡکَنَۃُ

(তেওঁলোকৰ ওপৰত অপমান আৰু দৰিদ্ৰতা জাপি দিয়া হ'ল) অপমান আৰু লাঞ্ছনাৰ যোগ্য নহ'লহেঁতেন। যদি লূত (আঃ)-ৰ সম্প্ৰদায়ে এই নিদৰ্শনসমূহ প্ৰত্যক্ষ কৰিলেহেঁতেন, তেন্তে এটা বিশাল ভূমিকম্পত মাটিৰ তলত পোত নগ'লহেঁতেন। কিন্তু আফচোস এই হৃদয়বোৰৰ ওপৰত যে সেইবোৰ শিলতকৈও অধিক কঠিন প্ৰমাণিত হ'ল আৰু প্ৰতিটো উপায়েৰে তেওঁলোকৰ অন্তৰৰ অন্ধকাৰ বৃদ্ধি পালে।"

আল্লাহ তা'লাই আমাক যিদৰে প্ৰকৃত কৃতজ্ঞতাৰ অনুভূতি প্ৰদান কৰক, তেনেকৈয়ে আমাক ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ সত্য গোলাম (আঃ)-ৰ বয়াতত আহি প্ৰকৃত পোহৰ, দৃষ্টি আৰু মাৰিফাত (জ্ঞান) দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 28 Aug 2026

Nazarat Nashor-O-Ishaat Qadian